**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
***-----------------------------***

০০০০০০০

১। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে এন ডি এৰ সংসদীয় দলৰ নেতা হিচাপে নৰেন্দ্ৰ মোদীৰ নাম প্ৰস্তাৱ কৰিছে।

২। এন ডি এৰ সংসদীয় দলৰ বৈঠকৰ পূৰ্বে জনতা দল ইউনাইটেডে আজি এখন সংসদীয় বৈঠক অনুষ্ঠিত কৰে।

৩। ভাৰতীয় ৰিজাৰ্ভ বেংকে দুমহীয়া মৌদ্ৰিক নীতি সমীক্ষা অনুসৰি পলিছি ৰেপ'ৰেট ৬ দশমিক ৫-০ শতাংশত অপৰিবৰ্তিত ৰাখিছে।

৪। লোকসভা সচিবালয়ে সংসদ ভৱনৰ চৌহদত বিকশাই তোলা প্ৰেৰণা স্থলত দেশৰ মহান নেতা আৰু মুক্তি যুঁজাৰুসকলৰ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে।

আৰু

৫। ভাৰতৰ অমন চেহৰাৱটে হাংগেৰীত অনুষ্ঠিত বুডাপেষ্ট ৰেংকিং চিৰিজ-২০২৪ মল্লযুঁজ প্ৰতিযোগিতাত ৰূপৰ পদক অৰ্জন কৰিছে।

০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে আজি এন ডি এৰ সংসদীয় দলৰ নেতা হিচাপে নৰেন্দ্ৰ মোদীৰ নাম প্ৰস্তাৱ কৰিছে। ৰাজনাথ সিঙৰ এই প্ৰস্তাৱক কেন্দ্ৰীয় অমিত শ্বাহ, নীতিন গাডকাৰী আৰু টি ডি পিৰ মুৰববী চন্দ্ৰবাবু নাইডু, জে ডি ইউৰ অধ্যক্ষ তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰকে ধৰি এন ডি এৰ সকলো সহযোগী দলে সমৰ্থন জনায়। নতুন দিল্লীৰ পুৰণা সংসদ ভৱনৰ ছেণ্ট্ৰেল হলত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ সংসদীয় দলৰ এই বৈঠক অব্যাহত আছে। ৰাজনাথ সিঙে শ্ৰী মোদীৰ নাম প্ৰস্তাৱ কৰি কয় যে এই পদৰ বাবে তেওঁক সবাতোকৈ গ্ৰহণযোগ্য প্ৰাৰ্থী বুলি উল্লেখ কৰে। তেওঁ কয় যে এই মিত্ৰযোঁট কোনো বাধ্যবাধকতা নহয় বৰং ই আমাৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰস্তাৱ সমৰ্থন কৰি কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কয় যে এই ইচ্ছা এন ডি এৰ সংসদীয় বৈঠকত ভাগ লোৱা নেতাসকলৰে কেৱল নহয় ই দেশৰ ১৪০ কোটি জনসাধাৰণৰ আশা। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে দেশক সমৃদ্ধিশালী আৰু চুপাৰ পাৱাৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীয়ে সম্পূৰ্ণ উৎসৰ্গিত মনোভাৱেৰে কাম ক**ৰি যায় বুলি মত প্ৰকাশ কৰে।**

০০০০০

এন ডি এৰ সংসদীয় দলৰ বৈঠকৰ পূৰ্বে জনতা দল ইউনাইটেডে আজি এখন সংসদীয় বৈঠকৰ আয়োজন কৰে। জনতা দল ইউনাটেডৰ নেতা তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে তেওঁৰ নতুন দিল্লীৰ বাসগৃহত অনুষ্ঠিত সংসদীয় দলৰ এই বৈঠকত অধ্যক্ষতা কৰে।

জে ডি ইউৰ লালন সিং, সঞ্জয় কুমাৰ ঝা, অজয় কুমাৰ মণ্ডল, বিজয় লক্ষ্মী কুছুৱাহা, কৌশলেন্দ্ৰ কুমাৰ, ৰামনাথ ঠাকুৰ, দেবেশ চন্দ্ৰ ঠাকুৰ, সুনীল কুমাৰ, লাভলী আনন্দ, অনিল হেগড়েৰ লগতে আ ন আন নেতাসকল বৈঠকত উপস্থিত থাকিব। উল্লেখযোগ্য যে লোক জনশক্তি পাৰ্টী ৰাম বিলাস গুটেও আজি ৰাষ্ট্ৰীয় ৰাজধানীত এখন সংসদীয় বৈঠকৰ আহ্বান কৰে। এই বৈঠকত ৰাষ্ট্ৰীয় সভাপতি চিৰাগ পাছোৱানক দলটোৰ সংসদীয় সমিতিৰ নেতা নিৰ্বাচন কৰা হয়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কয় যে তেওঁৰ চৰকাৰে বিগত দশকত শিক্ষা খণ্ডৰ গুণগত পৰিৱৰ্তনৰ দিশত গুৰুত্ব আৰোপ কৰিছিল। কিউএছ বিশ্ব বিশ্ববিদ্যালয় ৰেংকিঙত জি–২০ দেশসমূহৰ ভিতৰত বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিত্বৰ ক্ষেত্ৰত ভাৰতে সৰ্বাধিক বৃদ্ধি পঞ্জীয়ন কৰাৰ পিছতে তেওঁৰ এই বক্তব্য প্ৰকাশ পাইছে। এই ক্ষেত্ৰত ভাৰতৰ বৃদ্ধিৰ হাৰ হৈছে ৩১৮ শতাংশ। এটা ছচিয়েল মিডিয়া পোষ্টত , প্ৰধানমন্ত্ৰীয়ে ছাত্ৰ–ছাত্ৰী , অধ্যাপক আৰু প্ৰতিষ্ঠানসমূহক তেওঁলোকৰ কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাৰ বাবে প্ৰশংসা কৰে। তেওঁ তৃতীয় কাৰ্যকালত গৱেষণা আৰু উদ্ভাৱনক উন্নীত কৰাৰ বাবে অধিক কাম কৰাৰ প্ৰতিশ্ৰুতিৰ বিষযে দোহাৰে। ০০০০০

০০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকে দুমহীয়া মৌদ্ৰিক নীতি সমীক্ষা অনুসৰি পলিছি ৰেপ'ৰেট ৬ দশমিক ৫-০ শতাংশত অপৰিৱৰ্তিত ৰাখিছে। শীৰ্ষ বেংকটোৱে একেৰাহে অষ্টমবাৰৰ বাবে ৰেপ'ৰেটৰ কোনো পৰিৱৰ্তন কৰা নাই। ষ্টেণ্ডিং ডিপ'জিট ফেচিলিটি – এছ ডি এফৰ হাৰ ৬ দশমিক ২-৫ শতাংশত আৰু মাৰ্জিনেল ষ্টেণ্ডিং ফেচিলিটি – এম এছ এফৰ হাৰ তথা বেংকৰ হাৰ ৬ দশমিক ৭-৫ শতাংশত অপৰিৱৰ্তিত ৰাখে। মৌদ্ৰিক নীতি সমিতিয়ে ৪ অনুপাত ২ বহুমতত এই সিদ্ধান্ত গ্ৰহণ কৰে। সমিতিয়ে আৰ্থিক বৃদ্ধিত উৎসাহ যোগোৱাৰ লগতে মুদ্ৰাস্ফীতি নিৰ্ধাৰিত লক্ষ্যৰ ভিতৰত ৰখাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে। আৰ বি আইৰ মৌদ্ৰিক নীতি সমিতিৰ তিনিদিনীয়া বৈঠক ৫ জুনত আৰম্ভ হৈছে। বৈঠকৰ অন্তত ইয়াৰ সিদ্ধান্তসমূহৰ বিষয়ে ঘোষণা কৰি আৰ বি আইৰ গৱৰ্ণৰ শক্তিকান্ত দাসে কয় যে মুদ্ৰাস্ফীতি আৰু আৰ্থিক বৃদ্ধিৰ ভাৰসাম্য সুবিধাজনক স্থিতিত আছে। শ্ৰীদাসে লগতে কয় যে মৌদ্ৰিক নীতি সমিতিয়ে স্বাভাৱিক মৌচুমী বতৰৰ সময়ছোৱাত খাদ্যৰ মুদ্ৰাস্ফীতি নিৰিক্ষণ কৰি থাকিব।

০০০০০০০

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সুবিধা অনুসৰি সময়ত ইউক্ৰেইন ভ্ৰমণ কৰিবলৈ আমন্ত্ৰণ জনাইছে । দুয়োগৰাকী নেতাৰ মাজত ফোনযোগে হোৱা বাৰ্তালাপৰ সময়তে এই আমন্ত্ৰণ জনায। জেলেনস্কিয়ে প্ৰধানমন্ত্ৰী মোডীক শেহতীয়াকৈ নিৰ্বাচনী জয়ৰ বাবে অভিনন্দন জনাই চৰকাৰখন ক্ষিপ্ৰতাৰে গঠন হোৱাৰ কামনা কৰে। ভাৰতীয় জনসাধাৰণৰ হিতাৰ্থে নিৰন্তৰ উৎপাদনশীল সহযোগিতাৰ বাবেও তেওঁ ইচ্ছা প্ৰকাশ কৰে। ৰাষ্ট্ৰপতি জেলেনস্কিয়ে সমাগত বিশ্ব শান্তি সন্মিলনত ভাৰতৰ

অংশগ্ৰহণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ ভাৰতক উষ্চতম পৰ্যায়ত নিয়োজিত হোৱাৰ তাৎপৰ্যৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

ooooooo

লোকসভা সচিবালয়ে সংসদ ভৱনৰ চৌহদত প্ৰেৰণা স্থল বিকশাই তুলিছে য'ত দেশৰ মহান নেতা আৰু মুক্তি যুঁজাৰুসকলৰ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে। পূৰ্বে এই প্ৰতিমূৰ্তিসমূহ চৌহদৰ বিভিন্ন স্থানত আছিল। সচিবালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই প্ৰেৰণা স্থল এনেদৰে বিকশাই তোলা হৈছে যাতে সংসদ ভৱন চৌহদলৈ অহা দৰ্শকসকলে এই মহান নেতাসকলৰ প্ৰতিমূৰ্তি সহজে দেখা পায় আৰু তেওঁলোকৰ জীৱন আৰু দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত হ'ব পাৰে।

সচিবালয়ে জনোৱা মতে, চৌহদৰ বিভিন্ন স্থানত থকা বাবে দৰ্শকসকলে প্ৰতিমূৰ্তিসমূহ চোৱাৰ ক্ষেত্ৰত কিছু অসুবিধা হৈছিল। প্ৰেৰণা স্থলত আধুনিক প্ৰযুক্তিৰ জৰিয়তে এই মহান নেতা আৰু মুক্তিযুঁজাৰুসকলৰ জীৱন আৰু অৱদানৰ বিষয়ে তথ্য আগবঢ়োৱাৰো ব্যৱস্থা কৰা হৈছে।

ooooo

আম আদমী পাৰ্টীয়ে দিল্লী বিধানসভাৰ আসন্ন নিৰ্বাচনত অকলেই প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ বাসগৃহত অনুষ্ঠিত দলৰ বিধায়কসকলৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কালি দিল্লীৰ মন্ত্ৰী গোপাল ৰায়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, আই এন ডি আই মিত্ৰজোঁট অকল লোকসভা নিৰ্বাচনৰ বাবে গঠন কৰা হৈছিল। তেওঁ কয় যে, আম আদমী পাৰ্টিয়ে লোকসভা নিৰ্বাচনত কংগ্ৰেছৰ সৈতে একেলগে অৱতীৰ্ণ হৈছিল কিন্তু দলটোৱে দিল্লী বিধানসভা নিৰ্বাচনত দলটোৰ সৈতে মিত্ৰতা নকৰে।

ooooo

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে অহা চাৰিদিনলৈ মধ্য আৰু দক্ষিণ ভাৰতকে ধৰি দেশৰ বহু ঠাইত বৰষুণ, ধুমুহা আৰু বজ্ৰপাতৰ বাবে য়েল্লো এলাৰ্ট জাৰি কৰিছে। আইএমডিয়ে কয় যে, দক্ষিণ-পশ্চিম মৌচুমী বতাহ মধ্য আৰব সাগৰ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, তেলেংগানা, উপকূলীয় অন্ধ্ৰ প্ৰদেশ আৰু বংগোপসাগৰৰ বেছিভাগ অঞ্চললৈ অগ্ৰসৰ হৈছে ।

আইএমডিয়ে লগতে পূৰ্বানুমান কৰিছে যে দক্ষিণ-পশ্চিম মৌচুমী বতাহ অহা ৩-৪ দিনৰ ভিতৰত দক্ষিণ চত্তিশগড়, দক্ষিণ ওড়িশা আৰু বংগোপসাগৰৰ বাকী অংশতো প্ৰবেশ কৰিব। ইফালে দিল্লীত, আইএমডিয়ে অহা দুদিনলৈ ধূলিময় ধুমুহা আৰু বজ্ৰপাতৰ আশংকা প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় ৰাজধানীখনৰ সৰ্বোচ্চ উষ্ণতা আজি ৪৩ ডিগ্ৰী চেলছিয়াছৰ হোৱাৰ সম্ভাৱনা আছে।

ooooooo

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে ৪ জুনত ষ্টক বজাৰ নিম্নগামী হোৱা ঘটনাৰ যুটীয়া সংসদীয় কমিটীৰ দ্বাৰা তদন্ত কৰাৰ বাবে দাবী উত্থাপন কৰিছে। নতুন দিল্লীত থকা দলৰ মুখ্য কাৰ্যালয়ত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীগান্ধীয়ে কয় যে, বজাৰ নিম্নগামী হোৱাৰ বাবে খুচুৰা বিনিয়োগকাৰীসকলৰ ৩০ লাখ কোটি টকা লোকচান হৈছে। কংগ্ৰেছ নেতাগৰাকীয়ে লগতে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে ষ্টক বজাৰত বিনিয়োগ কৰা ৫ কোটি পৰিয়ালক কিয় বিনিয়োগত বিশেষ পৰামৰ্শ আগবঢ়াইছিল বুলি জানিব খুজিছে।

ইফালে, বিজেপিয়ে কংগ্ৰেছৰ দাবী খণ্ডন কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত দলৰ নেতা পীয়ুষ গোৱেলে ৰাহুল গান্ধীয়ে বিনিয়োগকাৰীসকলক প্ৰৱঞ্চনা কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ তোলে। তেওঁ লগতে কয় যে, ৪ জুনত নিৰ্বাচনী ফলাফল ঘোষণা কৰাৰ দিনা বিদেশী বিনিয়োগকাৰীসকলেহে লোকচান ভৰিবলগীয়া হৈছে কিন্তু ভাৰতীয় বিনিয়োগকাৰীসকল লাভান্বিত হৈছে।

ooooo

ভাৰতৰ অমন চেহৰাৱটে হাংগেৰীত অনুষ্ঠিত বুডাপেষ্ট ৰেংকিং চিৰিজ-২০২৪ মল্লযুঁজ প্ৰতিযোগিতাত ৰূপৰ পদক অৰ্জন কৰিছে। অমনে ৫৭ কিলোগ্ৰাম ওজন শাখাৰ পুৰুষৰ ফ্ৰিষ্টাইল ফাইনেলত বিশ্ব ছেম্পিয়নশ্বিপৰ ৰূপৰ পদক বিজয়ী জাপানৰ ৰেই হিগুচিৰ হাতত ১-১১ ফলাফলত পৰাজয় বৰণ কৰে। এই পদক জয়ৰ লগে লগে সমাগত পেৰিছ অলিম্পিকত অমনৰ স্থান উন্নীত হোৱাৰ আশা কৰা হৈছে।

ooooooo

ভাৰতৰ তাৰকা ফুটবল খেলুৱৈ সুনীল চেত্ৰীৰ দেশৰ হৈ কুৱেইটৰ বিৰুদ্ধে খেলা অন্তিমখন খেল কালি গ'ল শূন্যভাৱে সমাপ্ত হয়। চল্টলেকত অনুষ্ঠিত খেলখন গ'লশূন্যভাবে সমাপ্ত হোৱাৰ ফলত ফিফা ৱৰ্লড কাপৰ তৃতীয় ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জনৰ ক্ষেত্ৰত ভাৰতৰ আশা ক্ষীণ হৈ পৰিল। ভাৰতে তালিকাত ৫ পইণ্টৰে কুৱেইট আৰু আফগানিস্তানতকৈ আগত থাকি দ্বিতীয় স্থানত আছে যদিও ভাৰতে আগুৱাই যাবলৈ হ'লে কাটাৰৰ বিপক্ষে জয়লাভ কৰিব লাগিব।

oooooooooo

ভাৰতৰ চুমিত নাগলে জাৰ্মানীত যোৱা নিশা অনুষ্ঠিত হেইল ব্ৰ'নাৰ নেকাৰ কাপ ছেলেঞ্জাৰ টুৰ্নামেণ্টৰ পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে। তেওঁ স্পেইনৰ প্ৰতিদ্বন্দী জেভিআৰ বেৰেংক অছেন'ক ৬-৪, ৬-১ পোনপটীয়া ছেটত পৰাস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত সুমিতে আজি সন্ধিয়া ৰাছিয়াৰ ইভানজাক'ভৰ সন্মুখীন হ'ব।

ooooooo

সমাপ্ত